

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১২

গুপ্তযুগৰ পৰৱর্তী ভাৰতবর্ষ

অংশ – ৫ (প্রশ্ন-উত্তৰ)

পৰিনীতা দেৱী

৫। ৫০টা মান শব্দৰ ভিতৰৰ লিখা —

(ক) হৰ্ষবৰ্ধনৰ শাসন পদ্ধতি।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২৬

উত্তৰঃ প্রাচীন ভাৰতৰ এজন শ্রেষ্ঠ ৰজা আছিল হর্ষবর্ধন । সুশাসক হর্ষবর্ধনে বিশাল ৰাজ্যখন সুশৃংখলভাৱে শাসন কৰিবৰ বাবে কেইবাটাও ভাগত ভাগ কৰিছিল। ভাগবোৰ হল - প্রদেশ, ভুক্তি, বিষয়, গাঁও আদি । তেওঁ এই বিভাগবোৰৰ শাসন চলোৱাৰ বাবে মন্ত্রী, বিষয়া আদি নিয়োগ কৰিছিল। হর্ষবর্ধনে কৃষক আৰু ব্যৱসায়ী শ্রেণীটোৰপৰা কৰ-কাটল সংগ্রহ কৰিছিল।

(খ) হৰ্ষবৰ্ধনৰ ৰাজহ ব্যৱস্থা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰঃ সুদক্ষ শাসক হর্ষবর্ধনে কৃষক আৰু ব্যৱসায়ী শ্রেণীটোৰপৰা কৰ-কাটল সংগ্রহ কৰিছিল। কৃষকসকলে উৎপাদিত শস্যৰ ১/৬ অংশ কৰ হিচাপে শোধাব লাগিছিল। কেতিয়াবা নগদ ধনেৰেও এনে কৰ শোধাইছিল। এনেদৰে আদায় কৰা কৰ প্রজাৰ হিতৰ বাবে খৰচ কৰিছিল। এইদৰেই হর্ষবর্ধনে ৰাজহ ব্যৱস্থাৰ সার্বাংগীন উন্নতি কৰিছিল ।

(গ) মহাৱলীপুৰম মন্দিৰৰ শিল্পৰীতি।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰঃ মহাৱলীপুৰমৰ মন্দিৰসমূহ দেখিবলৈ ৰথৰ দৰে। এই মন্দিৰবোৰক ৰথ বোলা হয়। এখন পাহাৰ কাটি ৰথৰ দৰে সজা এই ৰথ বা মন্দিৰবোৰক ধৰ্মৰাজ ৰথ, ভীম ৰথ, অৰ্জুন ৰথ, দ্ৰৌপদী ৰথ বোলা হয়।

(ঘ) ৰাষ্ট্ৰকুট ৰাজ্যৰ অৱস্থিতি।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ বৰ্তমানৰ গুজৰাট ৰাজ্যৰ তলফালে নৰ্মদা নদীৰ পৰা কৃষ্ণা আৰু তুঙ্গভদ্ৰা নদীক স্পৰ্শ কৰা ৰাজ্যখনেই হৈছে ৰাষ্ট্ৰকুট ৰাজ্য।৭৫৩ খ্ৰীঃত দান্তিদুৰ্গ নামৰ এজন সামন্ত প্ৰভুৱে ৰাষ্ট্ৰকুট ৰাজ্য প্ৰতিষ্ঠা কৰে। ৰাষ্ট্ৰকুট সকল অতি পৰাক্ৰমী ৰজা আছিল । এই ৰজাসকলে মহাৰাজাধিৰাজ, ত্ৰিভূবন চক্ৰৱৰ্তী আদি উপাধি লৈছিল।

(ঙ) চোল ৰজাসকলে নিৰ্মাণ কৰা মন্দিৰবোৰৰ বৈশিষ্ট্য।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ চোল ৰজাসকলে নির্মান কৰা মন্দিৰবোৰৰ কিছুমান বৈশিষ্ট্য হল –

- এই মন্দিৰসমূহ অকল উপাসনা স্থলীয়েই নাছিল বৰং এইবোৰ আছিল ৰাজ্যৰ অর্থনীতি সুদৃঢ় কৰাৰ একো একোটা কেন্দ্ৰ।
- মন্দিৰৰ পূজা-সেৱা, চোৱা-চিতা কৰা পৰিয়ালবোৰক মন্দিৰৰ ওচৰে-পাজৰে সংস্থাপন দিয়া হৈছিল।
- মন্দিৰৰ নামত দিয়া ভূমিৰ উৎপাদনৰ সহায়ত এই পৰিয়ালবোৰক ভৰণ-পোষণ দিয়া হৈছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- এইদৰেই মন্দিৰবোৰে আৰ্থ-সামাজিক, সাংস্কৃতিক জীৱন চহকী কৰিছিল।
- মন্দিৰৰ ওচৰে-পাজৰে বসবাস কৰা লোকসকলৰ কিছুমানে শিল্প-ভাস্কৰ্যৰ চৰ্চাও কৰিছিল।
- তেওঁলোকে ব্ৰ'ঞ্জৰে তৈয়াৰ কৰা বিভিন্ন দেৱ-দেৱীৰ মূৰ্তিবোৰ সমকালীন বিশ্বৰ চমৎকাৰ শিল্প-ভাস্কৰ্য হিচাপে পৰিগণিত।

৬। তলত উল্লেখ কৰা ৰাজ্যসমূহ উত্তৰ ভাৰতৰ নে দক্ষিণ ভাৰতৰ অন্তর্গত বাছি উলিয়াই তালিকা প্রস্তুত কৰা–

গৌড়, চোল, ৰাজপুতনা, থানেশ্বৰ, গুর্জৰ প্রতিহাৰ, পাণ্ড্য, কনৌজ, কেৰল, মালৱ, ৰাষ্ট্রকূট, কলিঙ্গ, চালুক্য, চাণ্ডেল্য।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

চোল ৰাজ্য ক'ত আছে?
→ দক্ষিণ ভাৰত

উত্তৰঃ

উত্তৰ ভাৰত	দক্ষিণ ভাৰত
গৌড়	চোল
ৰাজপুতনা	পাণ্ড্য
থানেশ্বৰ	কেৰল
কনৌজ	ৰাষ্ট্ৰকুট
মালৱ	কলিঙ্গ
চাপ্তেল্য	চালুক্য